# শ্ৰী লংকাত উত্তৰ প্ৰাদেশিক নিৰ্বাচন

চেপ্তেম্বৰ ২৪,২০১৩

ভাৰত চৰকাৰে ২১ চেপ্তেম্বৰ ২০১৩ তাৰিখে উত্তৰৰ প্ৰাদেশিক পৰিষদকে অন্তৰ্ভূক্ত কৰি তিনিখন পৰিষদৰ নিৰ্বাচন সফলতাৰে সম্পূৰ্ণ কৰা কাৰ্য্যক আদৰনি জনাইছে ।নিৰ্বাচনত বহুলাংশ ভোটাৰৰ অংশ গ্ৰহন আৰু বিভিন্ন ৰাজনৈতিক দলৰ উৎসাহপূৰ্ণ অংশগ্ৰহনে এইটো স্পষ্ট ভাৱে প্ৰকাশ কৰিছে যে শ্ৰীলংকাৰ নাগৰিকে সদায়েই গনন্ত্ৰাতিক মুল্যবোধৰ প্ৰতি আৰু প্ৰাদেশিক পৰিষদকে সামৰি বিভিন্ন পৰ্যায়ত প্ৰতিনিধি সকলৰ নিকায় গঠনৰ নিৰ্বাচনৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ ।ফ'ৰাম অৱ চাউথ এছিয়ান ইলেকশ্বন মেনেজমেন্ট ব'ডী আৰু কমনৱেল্থৰ  দ্বাৰা নিৰ্বাচন নিৰীক্ষন কৰা তথ্যৰ পৰা আমি নিৰ্বাচন সম্পৰ্কে টোকা গ্ৰহন কৰিছো ।সামগ্ৰিক ভাৱে এই বিষয়ে স্বীকাৰ কৰিব লাগিব যে নিৰ্বাচনত জনসাধাৰনৰ ইচ্ছা সম্পূৰ্ণ ভাৱে প্ৰতিফলিত হৈছে ।

২. শ্ৰীলংকা চৰকাৰে সমগ্ৰ বিশ্বৰ আন্তৰ্জাতিক সম্প্ৰদায়ৰ আগত কৰা প্ৰতিশ্ৰুতি ৰক্ষা কৰি উত্তৰ প্ৰাদেশিক পৰিষদত নিৰ্বাচন অনুষ্ঠিত কৰিছে । ১৩ তম সংশোধনক  অন্তৰ্ভূক্ত কৰি  আন গুৰুত্বপূৰ্ণ বিষয়সমুহ সন্দৰ্ভত শ্ৰীলংকা চৰকাৰে আন্তৰ্জাতিক সমুদায়ৰ প্ৰতি কৰা প্ৰতিশ্ৰুতিক কাৰ্য্যত ৰূপায়ন কৰি উক্ত প্ৰতিশ্ৰুতিক  সম্পূৰ্ণ কৰালৈ আমি আগ্ৰহৰে আশা কৰিছো ।

৩. আমি শ্ৰীলংকা চৰকাৰে আৰু টি.এন. এয়ে (TNA) আগবঢ়োৱা ইতিবাচক বক্তব্যৰ টোকা অতি গুৰুত্ব সহকাৰে গ্ৰহন কৰিছো ।বাস্তৱিকতে এইটো অতি সন্তোষৰ বিষয় যে উত্তৰ প্ৰাদেশিকৰ জনসাধাৰনৰ উন্নতিৰ হকে দুয়োপক্ষই ইজন-সিজনৰ সৈতে একেলগে কাম কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে ।শেহতীয়া ভাৱে উত্তৰ প্ৰাদেশিক অঞ্চল সমূহত ত্ৰিশ বছৰ পুৰনি অস্ত্ৰ-শস্ত্ৰৰ বিবাদৰ সূত্ৰৰ পৰা উৎপন্ন হোৱা সমস্যাৰ ফলত জনসাধাৰনে সন্মুখিন হোৱা তৎকালিন সমস্যাৰ সমাধান কৰাৰ উদ্দেশ্যে দুয়োপক্ষই অংশীদাৰিৰ উদ্দ্যমতাৰে আৰু পাৰস্পাৰিক মিলাপ্ৰীতিৰে যাতে গঠনমূলক ভাৱে আৰু জৰুৰীকালিন তৎপৰতাৰে কাৰ্য্যত বৰ্তী হয় তাৰ বাবে আমি দুয়োপক্ষকে আহ্বান জনাও । এনে ধৰনৰ সমকক্ষতাহে এই সমস্যাত জড়িত হৈ থকা সকলো সমুদায়ক একত্ৰিত কৰাৰ লক্ষ্যৰে বাট মুকলি কৰিব পাৰিব ।

৪.সংখ্যালঘুকে সামৰি শ্ৰীলংকাৰ সকলো সম্প্ৰদায়ে যাতে শ্ৰীলংকাৰ ঐক্যতাৰ অংশীদাৰ বুলি তেওঁলোকে নিজকে অনুধাৱন কৰিব পাৰে আৰু তেওঁলোকৰ ভবিষ্যতটো যেন সমানতা,ন্যায়,মৰ্যদা আৰু আত্মসন্মানৰে চিহ্নিত কৰিব পাৰে তাৰ বাবে আগলৈও এনে ধৰনৰ প্ৰক্ৰিয়াত ভাৰত চৰকাৰে সদায়েই দুয়োপক্ষৰ সৈতে কাম কৰি যাব লৈ প্ৰতিশ্ৰিতিবদ্ধ ।

নতুন দিল্লী

চেপ্তেম্বৰ ২৪,২০১৩